بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## হজৰত মছীহ মাওউদ (আঃ)ৰ উদ্ধৃতিৰ আলোকত পৃথিৱী আৰু আখিৰাতত পুণ্য অৰ্জন কৰাৰ উপদেশ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০ মাৰ্চ ২০২৬ চনত মছজিদ মোবাৰক ইছলামাবাদ ইউ.কেত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحۡدَهُ لَا شَرِيكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُولُهُ أَمَّا بَعۡدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ۔ بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ۔ اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ۔ الرَّحۡمٰنِ الرَّحِيۡمِ۔ مٰلِكِ يَوۡمِ الدِّيۡنِ۔ اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ۔ اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ۔ صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ۔

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজি মই ঈদৰ খোতবা প্ৰদান কৰিলোঁ। সেই কাৰণে আজি মই সংক্ষিপ্ত খোতবা প্ৰদান কৰিম। মই হজৰত মছীহ মাওউদ (আঃ)ৰ এটা উদ্ধৃতি উত্থাপন কৰিম। ইয়াৰ প্ৰতি আমি সদায় গুৰুত্ব দিয়া উচিত।

তেখেত (আঃ)য়ে কৈছে যে মোমিনসকলৰ জগতৰ সৈতে সম্পৰ্ক যিমানেই বিস্তৃত হয় তেওঁলোকৰ মৰ্যাদা সিমানেই উন্নত হয়। কাৰণ তেওঁলোকৰ মূল লক্ষ্য হৈছে ধৰ্ম।

এই প্ৰেক্ষাপটত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে পৃথিৱীৰ সৈতে সম্পৰ্ক এই কাৰণেই ভাল যে তেওঁলোকৰ উদ্দেশ্য হৈছে ধৰ্ম, এইটো হৈছে মোমিনসকলৰ চিহ্ন।

কৈছে, পৃথিৱী, সম্পত্তি আৰু প্ৰাণ হৈছে তেওঁলোকৰ ধৰ্মৰ সেৱক। গতিকে মূল উদ্দেশ্য এইটো নহয় যে পৃথিৱীখন আনন্দৰ গন্তব্যস্থান হ'ব, বৰঞ্চ পৃথিৱীত মূল উদ্দেশ্য ধৰ্ম হ'ব লাগে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে এই বিষয়ে জোৰ দি ব্যাখ্যা কৰি কৈছে যে পৃথিৱীত উপাৰ্জন কৰক, কিন্তু মূল লক্ষ্য ধৰ্ম হোৱা উচিত, আমি ধৰ্মৰ সেৱা কৰিব লাগিব। যদি আমি পৃথিৱীত উপাৰ্জন কৰো, সেয়া ধৰ্মৰ মংগলৰ বাবে উপাৰ্জন কৰা উচিত, ভুল কাম কৰি পৃথিৱী আৰু

আখিৰাত বিনষ্ট কৰাৰ বাবে উপাৰ্জন কৰা উচিত নহয়, বৰঞ্চ আমাৰ আখিৰাতক উন্নত কৰাৰ বাবে আৰু আমাৰ ধৰ্ম উন্নতিৰ বাবে উপাৰ্জন কৰিব লাগে।

আকৌ কৈছে এনেদৰে পৃথিৱীৰ প্ৰতি আগবঢ়া উচিত, যাতে তেওঁ ধৰ্মৰ সেৱক হ'ব পাৰে। যিদৰে মানুহে কোনো ঠাইলৈ যাত্ৰা কৰিবলৈ হলে নিজৰ লগতে আৰোহী আৰু বাটৰ প্ৰয়োজনীয় সা-সামগ্ৰী লৈ যায়, তেতিয়া তেওঁৰ লক্ষ্য এইটোৱে হয় যে নিজৰ লক্ষ্যত উপনীত হোৱা, আৰোহী আৰু পথৰ প্ৰয়োজনীয়তাত উপনীত হোৱাটো তেওঁৰ লক্ষ্য নহয়।

এই উদাহৰণৰ ব্যাখ্যা কৰি হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, যাত্ৰাৰ বাবে আমি বস্তুবোৰ লগত লৈ যাওঁ, যাতে আমাৰ বাবে সুবিধা হয়, ইয়াৰ উদ্দেশ্য হৈছে যে আৰামতে যেন যাত্ৰা কৰিব পাৰো আৰু নিজৰ লক্ষ্যত উপনীত হ'ব পাৰো। এইটো নহয় যে এই বস্তুবোৰৰ দ্বাৰা যাত্ৰাত আমি আনন্দ উপভোগ কৰিব পাৰো।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আল্লাহ তা'লাই এই দোৱা শিকাইছে যে **ৰাববানা আতিনা ফিদ্দুনিয়া হাছানাতাও ওৱা ফিল আখিৰাতি হাছানাতাও ওৱা কিনা আজাবান্নাৰ**। হে আল্লাহ, আমাক পৃথিৱীত আৰু আখিৰাতত মংগল কৰক আৰু অগ্নিৰ শাস্তিৰ পৰা ৰক্ষা কৰক।

তেখেত (আঃ)য়ে কৈছে যে আল্লাহ তা'লাই এই শিক্ষা দিছে যে **ৰাববানা আতিনা ফিদ্দুনিয়া হাছানাতাও ওৱা ফিল আখিৰাতি হাছানাতাও**। ইয়াত জগতখনক অগ্ৰাধিকাৰ দিছে, কিন্তু কোনটো জগত ?

কৈছে যে পৃথিৱীৰ মংগল যেন আখিৰাতৰ বাবেও মংগল হয়।

এই সন্দৰ্ভত হুজুৰ আনোৱাৰ (আইঃ)য়ে মনোযোগ আকৰ্ষণ কৰি কৈছে যে এনদৰে পাৰ্থিৱ জগতৰ মংগলৰ কামনা কৰা উচিত যি আখিৰাতৰ বাবেও মংগল হয়। এনেকুৱা বস্তু লাভ কৰা, যি আখিৰাতৰ বাবে মংগল হয়, আখিৰাতত যেন আমি অপমানৰ সন্মুখীন হ'ব নালাগে। যেতিয়া আমি জগতৰ প্ৰেমত লিপ্ত হৈ পৰিম, তেতিয়া আমি অপমানৰ সন্মুখীন হ'ব লাগিব। তেখেত (আঃ)য়ে কৈছে যে এই দোৱাৰ শিক্ষাৰ পৰা স্পষ্ট হৈ পৰে যে মোমিনসকলে পৃথিৱীত উপাৰ্জনৰ লগতে আখিৰাতৰ মংগলৰ কামনা কৰা উচিত, জগতৰ মংগল শব্দটোৱে উত্তম পদ্ধতি গ্ৰহণ কৰাৰ ইংগিত দিয়ে, এই পদ্ধতি এজন মুছলমানে অৱলম্বন কৰা উচিত। জগতত মংগল আৰু গুণ এনেদৰে লাভ কৰাৰ পদ্ধতি গ্ৰহণ কৰক, যাতে মানৱজাতিয়ে কোনো কষ্টৰ কাৰণ নহয়, আৰু কোনো অপমানৰ কাৰণ হৈ নপৰে। এনে জগত নিশ্চয় আখিৰাতত মংগলৰ কাৰণ হৈ পৰিব।

হুজুৰ আনোৱাৰে ইয়াৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কৈছে যে এনেদৰে জগতত উপাৰ্জন কৰক, যাতে নিজৰ উপকাৰৰ লগতে মানুহৰো উপকাৰ হয়। পৃথিৱীত এনে আচৰণ নকৰিবা যি তোমাৰ বাবে অপমানৰ কাৰণ হৈ পৰে, তোমাৰ বংশধৰ আৰু তোমাৰ আত্মীয়সকলৰ বাবে

অপমানৰ কাৰণ হৈ পৰে। পৱিত্ৰ জীৱন-যাপন কৰক, পুণ্য আৰু তাকওৱাৰ ওপৰত পৰিচালিত জীৱন-যাপন অতিবাহিত কৰক। যেতিয়া এনেদৰে জীৱন-যাপন কৰিবা আৰু সৎভাৱে উপাৰ্জন কৰিবা, তেতিয়া তুমি পৃথিৱী আৰু আখিৰাত দুয়োটাই লাভ কৰিব পাৰিবা।

খোতবা জুমাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে আজি জগতখনে সাধাৰণতে নিজৰ উদ্দেশ্য পূৰণ আৰু স্বাৰ্থ লাভ কৰাত ব্যস্ত হৈ পৰিছে। নিজৰ স্বাৰ্থক প্ৰাধান্য দিয়া হৈছে, যেতিয়া জাতিক দেখিবা, তেতিয়া কেৱল তেওঁলোকৰ নিজৰ জাতিৰ চিন্তাত মগ্ন থকাটো দেখিবলৈ পাবা,মানৱজাতিৰ উপকাৰৰ বাবে চিন্তা নকৰে। এইদৰে জগতত লিপ্ত হৈ মানুহে নিজৰে ধ্বংস সৃষ্টি কৰি আছে। এনে পৰিস্থিতিত আমি আল্লাহ তা'লাৰ পৰা পৃথিৱীৰ আৰু আখিৰাতৰ মংগল কামনা কৰা উচিত। আমি এই বিষয়ত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন, যাতে আমি পৃথিৱী আৰু আখিৰাতত সফল হ'ব পাৰো আৰু সকলো ধৰণৰ বিপদৰ পৰা সুৰক্ষিত থাকিব পাৰো। পৃথিৱী ধ্বংসৰ দিশে গৈ আছে, আল্লাহ তা'লা আমাক ইয়াৰ পৰা সুৰক্ষা দান কৰক।

আল্লাহ তা'লাই আমাক নিজৰ কৰ্ম উন্নত কৰাৰ সৌভাগ্য দান কৰক, আৰু দোৱা কৰাৰ সৌভাগ্য দান কৰক। যিদৰে মই আজিৰ ঈদৰ খোতবাত কৈছো যে আল্লাহ তা'লা আমাক প্ৰকৃততে পুণ্য অৰ্জন কৰাৰ সৌভাগ্য দান কৰক আৰু উত্তম দোৱা কৰাৰ সৌভাগ্য দান কৰক আৰু সেই দোৱা গ্ৰহণ কৰক। আমীন

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِيَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 20 MARCH 2026**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................
..............................................................................................................
..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB